# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-AUG-2026
**Time :** 5-15 PM

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত দিছপুৰৰ লোকসভা ভৱনত মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত।

২। নেপালত আৱদ্ধ অসমীয়া লোকক আজি বিয়লি ওভতাই অনা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। পি এম স্ব-নিধি যোজনাৰ জৰিয়তে দেশৰ মহিলাসকলৰ সবলীকৰণ পথ প্ৰশস্ত হৈছে বুলি প্ৰধানমন্ত্ৰীৰ মন কী বাতত উল্লেখ। *আৰু*

৪। টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাইত থাইলেণ্ডৰ বিৰুদ্ধে ভাৰতীয় মহিলা দলৰ অভিযান আৰম্ভ।

ooooo

মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত মন্ত্ৰীসভাৰ অনুষ্ঠিত হয়। মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত  গ্ৰহণ কৰা হয়। গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত বিদ্যুৎ উৎপাদনৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টন, ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণটনৰ সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনা অনুমোদন দিয়া হৈছে। গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৭ ছেপ্তেম্বৰত ভাৰতৰ উপ ৰাষ্ট্ৰপতি অসম ভ্ৰমণৰ কাৰ্যসূচীত এই টকা বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কেন্সাৰৰ উন্নত চিকিৎসাৰ বাবে ৬০০ কোটি টকাৰ বিশেষ যন্ত্ৰ ক্ৰয়ৰ বাবে অনুমোদন দিয়া হৈছে। দেশৰ ভিতৰতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এই বিশেষ যন্ত্ৰ সংযোজিত হোৱা প্ৰথমখন চিকিৎসালয় হিচাপে চিহ্নিত হ'ব। বান বিধবস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰুণোদয় হিতাধিকাৰীয়ে ছেপ্তেম্বৰ মাহত দুহেজাৰ টকাকৈ ধন দিয়াৰ সিদ্ধান্ত কেবিনেটত গ্ৰহণ কৰা হয়। ৰেচন কাৰ্ডৰ হিতাধিকাৰীক ৭০ টকাত মচুৰ দাইল আৰু ৩৫ টকাত চেনী বিতৰণ কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্যৰ কাৰাগাৰত এইচ আই ভি আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধিত চৰকাৰ উদ্বিগ্ন বুলি কেবিনেটৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। কাৰাগাৰত এইচ আই ভিৰ চিকিৎসাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ উল্লেখ কৰে। নেপালত আৱদ্ধ হৈ থকা ৮ গৰাকী অসমীয়া লোকৰ সন্ধান ৰাজ্য চৰকাৰে পাইছে

বুলি উল্লেখ কৰি আজি বিয়লিৰ ভাৰত সীমান্তৰে তেওঁলোকক ঘূৰাই অনা হ'ব বুলি কেবিনেটত অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট- মুখ্যমন্ত্ৰী**

ooooo

নেপালৰ বিধবংসী বানত আবদ্ধ ৰাজ্যৰ ৮ জন লোক আজি নিৰাপদে দেশলৈ উভতি আহিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে শেহতীয়াকৈ প্ৰকাশ কৰা মতে নেপালৰ বানত কালি পশ্চিম কাৰ্বি আংলঙৰ এজন লোক সন্ধানহীন হোৱাৰ তথ্য প্ৰকাশ হৈছে। নলবাৰী জিলাৰ এজন লোক সন্ধানহীন হৈ থকাৰ পাছতে জিলা প্ৰশাসনে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিছে। ২৬ আগষ্টৰ পূৰ্বে জিলাখনৰ পৰা নেপাললৈ যোৱা লোকসকলৰ পৰিয়ালক প্ৰশাসনৰ সৈতে যোগাযোগ কৰি সকলো তথ্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে। ইতিপূৰ্বে জিলাখনৰ পৰা সন্ধানহীন হোৱা বুলি প্ৰকাশ পোৱা দুজন লোক নিৰাপদে আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য প্ৰকাশ পাইছে।

ইপিনে নেপালত যোৱা বুধবাৰৰ প্ৰলংয়কাৰী বানৰ পাছত বৰ্তমানলৈকে ১০৮ জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই সদৰি কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে পূৰ্বে সন্ধানহীন হৈ থকা প্ৰায় ৫০ জন ভাৰতীয় লোকৰ সৈতে যোগাযোগ কৰিব পৰা গৈছে। মন্ত্ৰালয়ে উল্লেখ কৰা মতে, এতিয়াও ২৭৫ জন ভাৰতীয় লোক সন্ধানহীন হৈ থকাৰ লগতে প্ৰায় ১২৮ জন প্ৰৱাসী ভাৰতীয়ৰ কোনো সন্ধান পোৱা হোৱা নাই।

ইপিনে, দেশখনৰ আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৬৮ লৈ বৃদ্ধি পাইছে। বৰষুণ আৰু পুনৰ বানৰ আশংকাৰ মাজতে উদ্ধাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে। বানৰ ফলত কমেও ২২৭ জন বিদেশী নাগৰিকৰ লগতে প্ৰায় দুহেজাৰ ৫০০ লোক সন্ধানহীন হৈ আছে।

ooooo

বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত নিচামুক্ত অভিযানে বিশেষ ভূমিকা পালন কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই অভিযানে দ্ৰুতগতিত দেশৰ বিভিন্ন অঞ্চল সামৰি লৈ জনসাধাৰণক সজাগ কৰাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। আকাশবাণীৰ ১৩৭ সংখ্যক মন কী বাতত নিজৰ মনৰ  ভাৱ ব্যক্ত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতৰ যুৱক-যুৱতীসকলৰ সুস্বাস্থ্য, সুখ  আৰু উজ্বল ভৱিষ্যতৰ বাবে এয়া এটা সামূহিক সংকল্প। তেওঁ মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা আৰু মাদক দ্ৰব্যত আসক্ত লোকক সহায়ৰ বাবে আগবাঢ়ি অহা সকলৰ প্ৰশংসা কৰে। শ্ৰীমোদীয়ে এখন নিচামুক্ত ভাৰত গঢ়াৰ বাবে শক্তিশালী শ্ল'গান উলিয়াবলৈ আৰু যুৱ সংগীতজ্ঞসকলক নিচামুক্ত জীৱনৰ বাৰ্তা কঢ়িওৱা গীত সৃষ্টি কৰিবলৈ আহ্বান জনায়।

পি এম স্বনিধি যোজনাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই আঁচনিৰ জৰিয়তে লাখ লাখ মহিলাই নতুন শক্তি লাভ কৰিছে। মহিলা সৱলীকৰণৰ এই দিশটো সততে আলোচনা কৰা নহয় বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে দেশৰ প্ৰায় ৩৫ লাখ মহিলাই আঁচনিৰ সৈতে সংযোজিত হৈ নিজৰ ব্যৱসায় সম্প্ৰসাৰিত কৰিছে।

## বাইট (পি এম)

তেওঁ আজিৰ অনুষ্ঠানত নাগালেণ্ডৰ ফেক জিলাৰ বেচালু পুৰ' নামৰ মহিলাগৰাকীয়ে ফুল খেতিৰ সম্ভাৱনাৰ বিষয়ে লক্ষ্য কৰি এই খেতিৰে দেশৰ বজাৰ দখল কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰে।

স্বচ্ছতাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে স্বচ্ছতাৰ এটা উল্লেখনীয় মান আছে। যেতিয়া জনসাধাৰণে কোনো এডোখৰ ঠাই পৰিষ্কাৰ কৰি ৰখাৰ বাবে সংকল্পবদ্ধ হয়, তেতিয়া সেই ঠাইত পৰিচয় সম্পূৰ্ণৰূপে সলনি হৈ পৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে স্বচ্ছতাৰ দিশত এনে ধৰণৰ প্ৰচেষ্টাই দেশৰ বিভিন্ন অংশত জনসাধাৰণক অনুপ্ৰেৰণা যোগাইছে। এই প্ৰসংগতে তেওঁ উত্তৰ প্ৰদেশৰ ক্লিন আপ পাটৰাই নামৰ স্বেচ্ছাসেৱী দলটোৰ বিষয়ে উল্লেখ কৰে। এই দলটোৱে ৪০০ মেট্ৰিক টনতকৈও অধিক আৱৰ্জনা সংগ্ৰহ কৰি ইয়াক নিষ্কাষণৰ ব্যৱস্থা কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

প্ৰচণ্ড গৰমৰ প্ৰতি লক্ষ্য ৰাখি ধুবুৰীৰ শিক্ষা বিভাগে বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সলনি কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে কাইলৈৰ পৰা জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১১ বজালৈ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে পুৱা চাৰে ৭ বজাৰ দিনৰ ১২ বজালৈ পাঠদানৰ নিৰ্দেশ দিছে। উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে পুৱা চাৰে ৭ বজাৰ দিনৰ চাৰে ১২ বজালৈ পাঠদানৰ নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী  পীযুষ হাজৰিকাই আজি দি ছপুৰত অনুষ্ঠিত অসম টেবুল টেনিছ এছ'চিয়েশ্যনৰ কাৰ্যবাহী সমিতিৰ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত এছ 'চিয়েশ্যনে অগ্ৰাধিকাৰ দিয়া কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। ৰাজ্যত টেবুল টেনিছৰ উন্নয়ন সুনিশ্চিত কৰাৰ বাবেও বিভিন্ন দিশ পৰ্যালোচনা কৰা হয়। বিশেষকৈ তৃণমূল পৰ্যায়ৰ পৰা এই ক্ৰীড়া শক্তিশালী কৰাৰ লগতে যুৱ খেলুৱৈসকলক উৎসাহিত কৰাৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়।

০০০০০

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত কাৰ্যসূচী অনুষ্ঠিত হৈছে। যোৰহাট জিলাত আজিৰে পৰা তিনিদিনীয়াকৈ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যোৰহাট ষ্টেডিয়ামত আয়োজিত মূল অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, যোৰহাটৰ জিলা উন্নয়ন আয়ুক্ত শ্যামল ক্ষেত্ৰ গগৈ, জিলা ক্ৰীড়া বিষয়া ৰাহুল শৰ্মাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তিনিদিনীয়া ক্ৰীড়া মহোৎসৱ উপলক্ষে প্ৰীতি ফুটবল খেলৰ লগতে ভালেমান কাৰ্যসূচী লোৱা হৈছে। আজি ন-কছাৰী আৰু টীয়ক ক্ৰীড়া কেন্দ্ৰৰ লগতে যোৰহাট ষ্টেডিয়ামত থলুৱা পৰম্পৰাগত খেল-ধেমালী, ধনুৰ্বিদ্যা আৰু বিভিন্ন বিনোদনমূলক প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

কোকৰাঝাৰ জিলাতো ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি অসম আৰক্ষী বাহিনীৰ উদ্যোগত ৰাকাথনৰ আয়োজন কৰা হয়। বিটিআৰৰ আৰক্ষী মহাপৰিদৰ্শক বিজয় গিৰি কুলিগামে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০০০

ধেমাজি জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু মাই ভাৰত ধেমাজিৰ উদ্যোগত তথা ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপনৰ অংশহিচাপে চাইকেল ৰেলীৰ আয়োজন কৰা হয়। এই চাইকেল ৰেলীত জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বহু লোকে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি ধেমাজি জিলাতো ২৮ আগষ্টৰ পৰা আজিলৈ জিলাখনৰ জোনাই, গোগামুখ আৰু ধেমাজি সদৰত বিভিন্ন ক্ৰীড়ামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে। আজি পুৱা অনুষ্ঠিত হোৱা চাইকেল ৰেলী লখিমপুৰৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই উদ্বোধন কৰে। এই অনুষ্ঠানত ধেমাজি জিলাৰ আয়ুক্ত, জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীৰ লগতে জিলাখনৰ বহু বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল।

ooooo

মাতৃভাষা ৰক্ষাৰ মাধ্যমেৰেহে নিজৰ পৰিচয় ৰক্ষা কৰিব পাৰি বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি প্ৰকাশ কৰে। অসম জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত মাতৃভাষা সন্দৰ্ভত আয়োজিত এখন বিশেষ সভাত তেওঁ এই কথা প্ৰকাশ কৰে। "জনজাতীয় বিশ্বাস, অনুশীলন, পৰম্পৰা আৰু সংস্কৃতি" শীৰ্ষক বিষয়বস্তুৰ ওপৰত আধাৰিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সম্প্ৰদায়ৰ জীৱন দৰ্শনকে ধৰি সাংস্কৃতিক চেতনাৰ বিভিন্ন দিশ সন্দৰ্ভত মত প্ৰকাশ কৰে। তেওঁ কয় যে যুগ যুগ ধৰি চলি অহা বিশ্বাস , মূল্যবোধ, অনুশীলন-পৰম্পৰা আৰু সাংস্কৃতিক চেতনাৰ মাজত এখন ৰাষ্ট্ৰৰ পৰিচয়, প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰবাহিত হয়। তেওঁ লগতে কয় যে ৰাজ্যৰ জনজাতীয় সম্প্ৰদায়ৰ অনন্য সংস্কৃতি আৰু পৰম্পৰা আমাৰ সামূহিক ঐতিহ্যৰ এক অবিচ্ছেদ্য অংশ। এই ঐতিহ্য সংৰক্ষণ কৰাটো অতীত সুৰক্ষিত কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে নিজৰ শিপা শক্তিশালী কৰাৰ এক ডাঙৰ দায়িত্ব বুলি তেওঁ মত প্ৰকাশ কৰে।

ooooo

সমাপ্ত